**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 16-10-2025**
**Time : 21-25 Hrs**

## ASSAMESE NIGHT BULLETIN

**::::::::::::::::::**

বাক্সা জিলাৰ নিকাছিত কালি সংঘটিত হিংসাত্মক ঘটনাৰ সৈতে জড়িত দুজন লোকক আটক কৰা হৈছে। চৰকাৰী সা-সম্পত্তি নষ্ট কৰা কিছুসংখ্যক লোকৰ বিৰুদ্ধেও ভিডিঅ' ফুটেজ চাই আইনগত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সৈতে নাম সাঙুৰখাই পৰা তথা ন্যায়িক জিম্মা লাভ কৰা অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি পাঁচজনক কালি বাক্সা জিলাৰ নিকাছিত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত উদ্ভৱ হোৱা হিংসাত্মক ঘটনাৰ পাছত মাজনিশা ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিং ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। বাক্সা জিলা কাৰাগাৰত আজি সন্ধিয়া ৰাজ্যৰ গৃহ বিভাগৰ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰী আৰু বিটিএডিৰ উপ-আৰক্ষী মহাপৰিদৰ্শক বিবেক ৰাজ সিঙৰ উপস্থিতিত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত আইন শৃংখলা শাখাৰ মহিপৰিদৰ্শক অখিলেশ সিঙো উপস্থিত থাকে। বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী সিঙে অঞ্চলটোৰ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহিছে বুলি উল্লেখ কৰে।

উল্লেখযোগ্য যে, জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত অহা ২১ অক্টোবৰত ছিংগাপুৰ আৰক্ষীয়ে ৰাজ্যৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান আৰু এছ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাৰ নেতৃত্বত অসম আৰক্ষী দলৰ সৈতে বৈঠকত মিলিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি জুবিন গাৰ্গৰ ন্যায়ৰ দিশত এয়া গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি উল্লেখ কৰে। শ্ৰী গুপ্তাই সাংবাদিকৰ আগত প্ৰকাশ কৰি কয়, যে ছিংগাপুৰ প্ৰশাসনে তেওঁলোকৰ সৈতে যোগাযোগ কৰিছে আৰু ২১ অক্টোবৰত আমন্ত্ৰণ জনাইছে। ছিংগাপুৰৰ ঘটনাস্থলীত তদন্ত কৰাৰ বাবে শ্ৰী গুপ্তাৰ লগতে অসম আৰক্ষীৰ আৰু এগৰাকী বিষয়া ঘটনা স্থলীলৈ যাব বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

ৰাজ্য চৰকাৰে শিল্পী জুবিন গাৰ্গৰ স্থায়ী সমাধি নিৰ্মাণৰ বাবে পদক্ষেপ লৈছে। লোকনিৰ্মাণ বিভাগক সমাধি প্ৰকল্প নিৰ্মাণৰ দায়িত্ব অৰ্পণ কৰা হৈছে। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। এখন বিশেষ সমিতিয়ে সমাধি প্ৰকল্পত অনুমোদন জনাব বুলি উল্লেখ কৰি তেওঁ কয়, যে এই সমিতিত শিল্পীগৰাকীৰ পত্নী গৰিমা গাৰ্গ প্ৰমুখ্যে ১১ জন ব্যক্তি আছে। ইপিনে জুবিন গাৰ্গৰ মৃত্যুৰ বিচাৰ প্ৰক্ৰিয়া ফাষ্টট্ৰেক আদালতত চলিব বুলি

মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ লগতে নৱেম্বৰত গোচৰৰ অভিযোগনামা দাখিল কৰা হ'ব বুলি উল্লেখ কৰে। ডঃ শৰ্মাই কয়, যে বিচাৰৰ বাবে বিশেষ চৰকাৰী অধিবক্তাক নিয়োগ কৰা হ'ব আৰু পৰৱৰ্তী সময়ত চৰকাৰী অধিবক্তাৰ নাম ঘোষণা কৰা হ'ব। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি পাঁচজন ব্যক্তিক বাক্সা জিলাৰ কাৰাগাৰলৈ প্ৰেৰণ সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দি মুখ্যমন্ত্ৰীয়ে কয়, যে নিৰাপত্তাৰ স্বাৰ্থতহে তেওঁলোকক বাক্সাৰ কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছে। সেই কাৰাগাৰত অভিযুক্তসকলৰ বাবে কোনোধৰণৰ বিশেষ সুবিধা নাই বুলিও তেওঁ উল্লেখ কৰে।

মন্ত্ৰীসভাৰ বৈঠকত আজি অহা ডিচেম্বৰত নামৰূপ সাৰ কাৰখানাৰ আধাৰশিলা স্থাপনত অনুমোদন জনোৱা হয়। তদুপৰি ৰাজ্য চৰকাৰৰ পেঞ্চনাৰ আৰু কৰ্মচাৰীসকলৰ মৰগীয়া বানচ ৫০ শতাংশলৈ বৃদ্ধিত অনুমোদন জনোৱা হয়।

০০০০০০

অসমত ৰে'ল সেৱা বিশেষকৈ যাত্ৰীবাহী ৰে'ল সেৱাক অধিক জনমুখী কৰা সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ১৮ অক্টোবৰ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ প্ৰাক্তন মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া ছিতু সিং হাজং, সাংবাদিক ত্ৰিদীপ লহকৰ আৰু অসম ৰে'লযাত্ৰী সংস্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল সেৱাৰ সাম্প্ৰতিক অৱস্থা সম্পৰ্কত আলোচনা কৰিব। এই আলোচনাৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ত আজি সন্মিয়া জিলা উন্নয়ন সমিতিৰ চলিত মাহৰ বৈঠকখন অনুষ্ঠিত হয়। জিলা উন্নয়ন আয়ুক্ত ৰাজীৱ ৰয়ৰ সভাপতিত্বত অনুষ্ঠিত সভাত টিয়ক সমজিলা আয়ুক্ত, জিলা প্ৰশাসনৰ বিষয়া আৰু জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে। সভাত জিলা উন্নয়ন আয়ুক্তগৰাকীয়ে জিলাখনত ৰূপায়িত বিভিন্ন আঁচনিৰ কামকাজ খৰতকীয়াকৈ আৰু নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পন্ন কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। বিভাগসমূহৰ অধীনত চলি থকা আধৰুৱা কামসমূহ শীঘ্ৰে সম্পূৰ্ণ কৰাৰ লগতে আঁচনিসমূহৰ সফল ৰূপায়ণৰ ক্ষেত্ৰতো জিলা উন্নয়ন আয়ুক্তগৰাকীয়ে বিষয়াসকলৰ দৃষ্টি আকৰ্ষণ কৰে।

০০০০০০

অহা ২৩ নৱেম্বৰৰ পৰা ২৬ নৱেম্বৰলৈ ধেমাজিত তৃতীয় ক্ৰীড়া মহোৎসৱ অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। আজি ধেমাজিৰ গোগামুখত মহোৎসৱৰ অভ্যৰ্থনা সমিতিয়ে সংবাদমেল যোগে এই বিষয়ে প্ৰকাশ কৰে। এই মহোৎসৱত অলিম্পিক সন্থাই অনুমোদন জনোৱা খেলসমূহৰ উপৰি মিছিং জনগোষ্ঠীৰ পৰম্পৰাগত কেইবাবিধো খেলসহ ১৮ বিধ ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়, জংকি পানৈ উচ্চ মাধ্যমিক বিদ্যালয়, গোগানুখ মহাবিদ্যালয় আৰু বালিকা উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত এই মহোৎসৱৰ প্ৰস্তুতি চলি আছে। প্ৰতিযোগিতাসমূহত ৰাজ্যৰ প্ৰায় তিনি হাজাৰ প্ৰতিযোগিয়ে অংশ ল'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত